এইখিনিতে আৰু এটা প্ৰশ্ন হ'ব পাৰে ঃ জন্মান্তৰবাদৰ পৰা মুক্তি লাভৰ কোনো উপায় নাই নে? যদি আছে, তেনেহ'লে সেইটো কি? ইয়াৰ উত্তৰ নিষ্কাম কৰ্মৰ আলমত দিয়া যায়। কৰ্মবাদৰ এই নিয়ম সকাম কৰ্মৰ ক্ষেত্ৰত প্ৰযোজ্য; নিষ্কাম কৰ্মৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহয়। অৰ্থাৎ কামনা-বাসনাৰ বশঃৱৰ্তী হৈ, ফলাফলৰ আকাংক্ষা কৰি কৰ্ম সম্পাদন কৰিলে জীৱই জন্মান্তৰবাদৰ চক্ৰত আৱদ্ধ হয়। কিন্তু নিষ্কামভাৱে নিজৰ সকলো কৰ্ম ঈশ্বৰক সমৰ্পণ কৰি কৰ্ম সম্পাদন কৰিলে জীৱই জন্ম-মৃত্যুৰ চক্ৰত আৱদ্ধ নহয়। নিষ্কাম কৰ্মৰ বলত জীৱই জন্ম-মৃত্যুৰ চক্ৰক ৰোধ কৰি জীৱনৰ পৰম পুৰুষাৰ্থ মোক্ষ লাভ কৰিবলৈ সক্ষম হয়। গতিকে আমাৰ সিদ্ধন্ত হ'ল, জন্মান্তৰবাদৰ লগত কৰ্মবাদৰ ঘনিষ্ঠ সম্পৰ্ক আছে ঠিকেই; কিন্তু এই সম্পৰ্ক সকাম কৰ্মৰ ক্ষেত্ৰত; নিষ্কাম কৰ্মৰ লগত জন্মান্তৰবাদৰ কোনো সম্পৰ্ক নাই।

## স্বতন্ত্ৰতা আৰু পছন্দ
## (Freedom and Choice)

শ্ৰীমদ্ভগৱদ্‌গীতাৰ কৰ্মবাদ, ব্ৰহ্মবাদ আৰু অন্যান্য তত্ত্বৰ পৰা এটা কথা প্ৰতীয়মান হয় যে, ইয়াত জীৱাত্মা আৰু পৰমাত্মাৰ অভিন্নতাক স্বীকাৰ কৰা হৈছে। এই দৰ্শনত জীৱাত্মা বা মানৱক স্বাধীনতা দিয়া হৈছে নে নাই— এই সম্পৰ্কে বিভিন্ন শ্লোকত বিভিন্ন ব্যাখ্যা পোৱা যায়। গীতাৰ আৰম্ভণিৰ পৰা শেষলৈকে যদি ভালদৰে অধ্যয়ন কৰা যায়, তেনেহ'লে কিছুমান সিদ্ধান্তই আমাক এই বিমোৰত পেলায় যে, আচলতে গীতাত মানৱ স্বাধীনতাক স্বীকাৰ কৰা হৈছে নে মানুহৰ সমস্ত কিছু পূৰ্ব নিৰ্ধাৰিত। কাৰণ গীতাত এবাৰ কোৱা হৈছে যে অৰ্জুনে হেনো কাকো হত্যা কৰা নাই, অৰ্জুনে কেৱল নিজৰ স্বধৰ্ম পালন কৰি যুদ্ধ কৰিব লাগে, যুদ্ধক্ষেত্ৰত যি হত্যা-নিধন সংঘটিত হৈছে সি পূৰ্বৰে পৰা হৈ আছে। অৰ্জুন মাত্ৰ উপলক্ষহে। আনফালে, গীতাত অৰ্জুনক এইটোও কোৱা হৈছে যে, বুদ্ধিযোগে কামনা-বাসনাক নিয়ন্ত্ৰণ কৰি মোক্ষ লাভ কৰা। অৰ্থাৎ কামনা-বাসনা বা ইন্দ্ৰিয়সমূহক আমি ইচ্ছা কৰিলে নিয়ন্ত্ৰণ বা সংযত কৰিব পাৰোঁ আৰু নিজৰ পছন্দ অনুসৰি জ্ঞানযোগ, ভক্তিযোগ বা কৰ্মযোগ অনুসৰণ কৰি মোক্ষৰ পথত অগ্ৰসৰ হ'ব পাৰোঁ। জীৱ যিহেতু জড়প্ৰকৃতিৰ

Scanned with OKEN Scanner

কবলত পৰি বন্ধনগ্ৰস্থ হয়, গতিকে জড়প্ৰকৃতিজাত দেহৰ ইন্দ্ৰিয়সমূহক সংযত কৰি নিষ্কাম কৰ্মৰে মোক্ষৰ পথত অগ্ৰসৰ হোৱাৰ দায়িত্ব জীৱে নিজে ল'ব লাগিব। এই ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে, গীতাত মানৱ স্বাধীনতা আৰু পছন্দক স্বীকাৰ কৰা হৈছে। গতিকে দেখা যায় যে, গীতাৰ স্বতন্ত্ৰতা আৰু পছন্দ সম্পৰ্কীয় ধাৰণাত কিছু অস্পষ্টতা আছে যাক এই আলোচনাৰ যোগেদি স্পষ্ট কৰাৰ চেষ্টা কৰা হৈছে।

অধ্যাপক হিৰিয়ানাই (Hiriyanna) জীৱৰ স্বতন্ত্ৰতাৰ আলোচনা প্ৰথমতে দুষ্ট প্ৰকৃতিৰ আলোচনা কৰা পোষকতা কৰিছে। দৰাচলতে প্ৰকৃতি আৰু তাৰ ত্ৰিগুণেই সেই কাৰণ যাৰ কৱলত পৰি জীৱ পৰাধীন হৈ পৰে। হিৰিয়ানৰ মতে, জীৱৰ পৰাধীনতাক বুজিবলৈ প্ৰথমতে আমি জানিব লাগিব যে দুষ্ট প্ৰকৃতিয়ে কিদৰে কাম কৰে। প্ৰকৃতি হ'ল আমাৰ জড়দেহৰ মূল কাৰণ। জড়প্ৰকৃতিৰ পৰাই গুণত্ৰয়ৰ উদ্ভৱ হৈছে (সত্ত্ব, ৰজঃ আৰু তমঃ) আৰু গুণত্ৰয় অনুসাৰে আমাৰ স্বভাৱজাত কৰ্ম নিৰ্ধাৰিত হয়। জড়প্ৰকৃতিয়ে আমাৰ ইন্দ্ৰিয়সমূহক সৃষ্টি কৰে আৰু নিয়ন্ত্ৰণো কৰে। গীতা মতে, ইন্দ্ৰিয়ৰ বিষয়সমূহত ৰাগ-দ্বেষ, কামনা-বাসনা নিহিত থাকে, মানুহে ইহঁতৰ বশীভূত হোৱা উচিত নহয়, কাৰণ এইবোৰ মানুহৰ শত্ৰু। ইয়াৰ অৰ্থ হ'ল দুষ্ট প্ৰকৃতি স্বতঃ কাম নকৰে, বৰং ইন্দ্ৰিয়ৰ জৰিয়তে মানুহক উচটনি দিহে কাম কৰে। ইন্দ্ৰিয়ৰ বশৱৰ্তী এই আত্মাকে জীৱাত্মা বুলি কোৱা হয়। "ইন্দ্ৰিয়, মন আৰু বুদ্ধি ইয়াৰ বাসস্থান; ইয়াৰ দ্বাৰা ই মানুহক মোহগ্ৰস্থ কৰে। গতিকে পাপী শত্ৰুক জিনিবলৈ হ'লে আমি তাক বশ কৰিব লাগিব।" গতিকে এইটো ভবাটো ভুল যে আমি অনিচ্ছা সত্ত্বেও পাপত লিপ্ত হওঁ। গতিকে আমাৰ কৰ্ম আমাৰ আৱেগ-অনুভূতি, কামনা-বাসনাৰ দ্বাৰা যদি সম্পাদতি হয়, তেনেহ'লে তাৰ বাবে আমিয়ে দায়ী। কাৰণ আমি ইচ্ছা কৰিলে তেনে ইন্দ্ৰিয়াসক্তিক বৰ্জন কৰি ভিন্ন কৰ্ম কৰিব পাৰিলোহেঁতেন। ইন্দ্ৰিয়পৰায়ণ আত্মাৰ ইচ্ছা-অনিচ্ছাক বশীভূত কৰি স্বতন্ত্ৰভাৱে কাম কৰাৰ ক্ষমতা গীতাত প্ৰায় সৰ্বত্ৰ স্বীকাৰ কৰা হৈছে।

গীতাত কৰ্ম-স্বাধীনতাক স্বীকাৰ কৰি শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে— 'তুমি যেনেকুৱা বিচৰা তেনেকুৱা কৰ্ম কৰা' (যথেচ্ছসি তথা কুৰু, ১৮/৬৩)। মানুহৰ আত্মাৰ ওপৰত কোনো সৰ্বশক্তিমান প্ৰকৃতি নাই। আমি প্ৰকৃতিৰ আদেশক

অনুসৰণ কৰাৰ বাবে বাধ্য নহওঁ। বৰং গীতাত আমাৰ ইচ্ছা আৰু অনিচ্ছাৰ প্ৰতি সাৱধান হ'বলৈ কোৱা হৈছে। কাৰণ ইয়ে জীৱাত্মাৰ মোক্ষৰ পথত অন্তৰায় হিচাপে দেখা দিয়ে। মানুহ বুদ্ধিযোগে প্ৰকৃতিৰ গতিৰ লগত মোকাবিলা কৰিব পাৰে। জ্ঞানী লোকৰ সকলো কৰ্ম বুদ্ধিসম্পন্ন ইচ্ছাৰ দ্বাৰা পৰিচালিত হয়। মানুহ যেতিয়ালৈকে বাসনাৰ দ্বাৰা বশীভূত নহয়, তেতিয়ালৈকে তেওঁ সাধাৰণ স্থিতিত পশুৰ দৰে জীৱন নিৰ্বাহ নকৰে। কামনা-বাসনা বা ইন্দিয়ই সেই শক্তি যিয়ে মানুহক পৰাধীন কৰি তোলে। সেয়ে গীতাত ইন্দ্ৰিয়সমূহ আৰু ইয়াৰ পৰা উৎপন্ন কামনা-বাসনাসমূহক শত্ৰু হিচাপে জ্ঞান কৰিবলৈ কোৱা হৈছে।

*কাম এষ ক্ৰোধ এষ ৰজোগুণসমুদ্ভৱঃ।*
*মহাশনো মহাপাপ্মা ৱিদ্ধ্যেনমিহ ৱৈৰিণম্।। (৩/৩৭)*

অৰ্থাৎ 'এইবোৰ প্ৰকৃতিৰ ৰজোগুণৰ পৰা উদ্ভূত হোৱা কাম আৰু কামেই পাছত ক্ৰোধলৈ ৰূপান্তৰিত হয়। এই পৃথিৱীত সেই কামকে সৰ্বগ্ৰাসী মহাপাপী শত্ৰু বুলি জানিবা।"

ইয়াতে আন এটা প্ৰশ্ন উত্থাপন হয় ঃ আমি ইন্দ্ৰিয়পাৰয়ণ আত্মাক উপেক্ষা কৰিব পাৰো নে নাই? গীতাত ইয়াৰ উত্তৰ এনে যে, যদি আমি বিচাৰো তেনেহ'লে পাৰোঁ। কাৰণ ইয়াতকৈ প্ৰকৃত আত্মা বা উচ্চতৰ আত্মাৰ অৱস্থিতি আমাৰ ভিতৰত আছে। এই উচ্চতৰ আত্মা ধোঁৱাই জুইক আবৃত্ত কৰাৰ দৰে ইন্দ্ৰিয়পৰায়ণ আত্মাৰ দ্বাৰা আবৃত্ত হৈ আছে। এনে উচ্চতৰ আত্মাৰ উপস্থিতিৰ কাৰণে আমি আমাৰ ভিতৰত কামনা আৰু বুদ্ধিৰ সংঘৰ্ষ লক্ষ্য কৰিব পাৰোঁ। এই সংঘৰ্ষ চেতনাতে যথাৰ্থ পছন্দ বা নিৰ্বাচনৰ সম্ভাৱনা নিহিত থাকে; কাৰণ উচ্চতৰ আত্মাৰ স্বৰূপে এনেকুৱা যে তেওঁ নিম্নতৰ আত্মাৰ বশীভূত হৈ থাকিব নোৱাৰে। এই উচ্চতৰ আত্মাৰ বাবেহে আমি কামনা-বাসনাৰ বশীভূত হৈ পশুৰ জীৱন ধাৰণ নকৰো। গীতাত সেইকাৰণে আত্মাৰ দ্বাৰা আত্মাক স্থিৰ কৰা কথা কোৱা হৈছে—

*এৱং বুদ্ধেঃ পৰং বুদ্ধা সংস্তভ্যাত্মানমাত্মনা।*
*জহি শত্ৰুং মহাবাহো কামৰূপং দুৰাসদম্।। (৩/৪৩)*

এই শ্লোকৰ ভাবাৰ্থ প্ৰকাশ কৰি শ্ৰীঅৰবিন্দই লিখিছে— 'হে মহাবাহু, এইদৰে বুদ্ধিৰ সহায়ত বুদ্ধিৰ ওপৰত অৱস্থিত পৰমাত্মা সম্বন্ধে সচেতন হৈ

Scanned with OKEN Scanner

আত্মাক আত্মশক্তি প্ৰয়োগেৰে ধীৰ আৰু নিশ্চল কৰা আৰু দুৰ্নিবাৰ শত্ৰু কামক বিনাশ কৰা।" তিলকৰ মতে, নিজহে নিজকে সংযত কৰি কামৰূপ দুৰ্জয় শত্ৰুক বিনাশ কৰাই এই শ্লোকৰ মূল অৰ্থ। মুঠতে, গীতাত এইটো স্বীকাৰ কৰা হৈছে যে আমি নিজে কামনা-বাসনা প্ৰভৃতি ইন্দ্ৰিয়াসক্তিক বিনাশ বা নিয়ন্ত্ৰণ কৰিব পাৰোঁ। ইয়াৰ দ্বাৰা গীতাত স্পষ্টৰূপত কৰ্মস্বতন্ত্ৰতাৰ স্বীকৃতি মিলে। অৰ্থাৎ গীতা মতে, মানুহ নিজৰ কৰ্মৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে স্বাধীন।

*উদ্ধৰেদাত্মনাত্মানং নাত্মানমৱসাদয়েৎ।*
*আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ।।*
*বন্ধুৰাত্মাত্মনস্তস্য য়েনাত্মৈৱাত্মনা জিতঃ।*
*অনাত্মনস্তু শত্ৰুত্বে ৱৰ্তেতাত্মৈৱ শত্ৰুৱৎ।। (৬/৫-৬)*

অৰ্থাৎ "নিজ মনৰ সহায়েৰে বন্ধনত থকা জীৱটোক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব লাগে, তাক তললৈ ঠেলি দিব নালাগে। মনটোৱে নিশ্চিতভাৱে জীৱাত্মাটোৰ বন্ধু আৰু মনটোৱে শত্ৰু। যিজনে মনটো জয় কৰিব পাৰিছে, তেওঁৰ বাবে মনটোৱে আটাইতকৈ ডাঙৰ বন্ধু; কিন্তু যিজনে তেনে কৰিব পৰা নাই, তেওঁৰ মনটো সদায় ডাঙৰ শত্ৰু হ'ব লাগিব।"

গতিকে দেখা যায় যে, গীতাত সদায় আত্মাৰ দ্বাৰা আত্মাক স্থিত কৰিবলৈ কোৱা হৈছে। অৰ্থাৎ নিম্নতৰ আত্মাক আমাৰ ভিতৰত উপস্থিত উচ্চতৰ আত্মাৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিবলৈ কোৱা হৈছে। যি জীৱ প্ৰকৃতিৰ বশীভূত সি 'অহং আত্মা' বা নিম্নতৰ আত্মা। তেওঁ ভাবে যে 'মই কামনা কৰো', 'মন, বুদ্ধি, ইন্দ্ৰিয় সকলোৱে মোৰ', 'ময়ে কৰ্তা'। কিন্তু এই দেহেন্দ্ৰিয়-মন-বুদ্ধিৰ ওপৰত যি আছে তেৱেঁই প্ৰকৃত আত্মা বা উচ্চতৰ আত্মা। তেওঁ নিত্যমুক্ত স্বভাৱৰ হ'লেও দেহোপাধিবশতঃ বদ্ধ বুলি প্ৰতীয়মান হয় আৰু দেহাধিষ্ঠিত কালত জীৱাত্মা বুলি কথিত হয়। প্ৰকৃততে তেওঁ বদ্ধ নহয়, তেওঁ প্ৰকৃতিৰ বন্ধনৰ পৰা মুক্ত হোৱাৰ বাবে স্বতঃই প্ৰেৰণা যোগায়। জীৱ যেতিয়া তাৰ প্ৰকৃত আত্মাক জানিব পাৰে, তাৰ প্ৰেৰণা বুজিব পাৰে, তেতিয়া আৰু প্ৰকৃতিৰ বশ্যতা নাথাকে, 'মই', 'মোৰ' অহংভাৱ নাথাকে, কামনা কলুষতা নাথাকে। প্ৰকৃত আত্মাৰ জ্ঞানৰ দ্বাৰা 'অহং আত্মা' দূৰীভূত হয়। ইয়াকে বোলা হয় আত্মাৰ দ্বাৰা আত্মাক স্থিৰ কৰা বা নিজেই নিজকে স্থিৰ কৰা। ইয়াৰ নামে আত্ম-স্বাতন্ত্ৰ্য। গীতাৰ জ্ঞানমাৰ্গত আত্মতত্ত্ব

Scanned with OKEN Scanner

স্মৰণ, মনন, নিদিধ্যাসনৰ দ্বাৰা এই আত্মা-স্বাতন্ত্ৰ্যতা লাভ কৰা যায়। যোগমাৰ্গত প্ৰত্যাহাৰ, ধ্যান, ধাৰণাৰ দ্বাৰা মনক নিশ্চল কৰিলে এই আত্মা-স্বাতন্ত্ৰ্য প্ৰকাশ পায়। ভক্তিমাৰ্গত কোৱা হয় যে, আত্মজ্ঞান বা আত্মাৰ শুদ্ধ প্ৰেৰণা পৰমাত্মাৰূপ ভগৱানৰ পৰাই উদ্ভূত হয়। তাত চিত্ত স্থিৰ কৰিব পাৰিলে, অনন্য ভক্তিযোগেৰে তাত আত্মসমৰ্পণ কৰিব পাৰিলে প্ৰকৃতিৰ বন্ধন দূৰ হয়, ইন্দ্ৰিয়াদিৰ বিষয়, ৰাগ-দ্বেষ আদি লোপ পায়। শ্ৰীমদ্ভগৱদ্গীতাত এই কথাই বাৰে বাৰে কোৱা হৈছে।

*তানি সৰ্ব্বাণি সংয়ম্য য়ুক্ত আসীত মৎপৰঃ।*
*ৱশে হি য়স্যেন্দ্ৰিয়াণি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠাতা।। (২/৬১)*

অৰ্থাৎ 'যিজনে সেই সকলো ইন্দ্ৰিয়ক সংযত কৰি কেৱল মোৰ চিন্তাতে নিমগ্ন হৈ থাকি সকলো ইন্দ্ৰিয়কে বশীভূত কৰিছে, তেৱেঁৰেই বুদ্ধি স্থিৰ, তেওঁ স্থিতপ্ৰজ্ঞ।'

*মাং চ য়োঽৱ্যভিচাৰেণ ভক্তিয়োগেন সেৱতে।*
*স গুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে।। (১৪/২৬)*

অৰ্থাৎ 'যিজনে কোনো ব্যতিক্ৰম নোহোৱাকৈ ভক্তিযোগেৰে মোৰ সেৱা কৰে, তেওঁ গুণসমূহ অতিক্ৰম কৰি ব্ৰহ্মাৰ স্তৰ পাবৰ বাবে যোগ্য হয়।'

কিন্তু ইয়াত আকৌ এটা প্ৰশ্ন হয়ঃ যদি সকলো কৰ্মৰে অনিবাৰ্য পৰিণতি আছে, যিবোৰ আমি অতীতত সংঘটিত কৰিছোঁ, সেইবোৰৰো অনিবাৰ্য পৰিণতি আছে, তেনেহ'লে আমাৰ সমস্ত নৈতিক দায়িত্বৰ পৰিসমাপ্তি ঘটে আৰু আত্মাৰ সমস্ত প্ৰচেষ্টা অৰ্থহীন হৈ পৰে। ইয়াৰ উত্তৰত এইটো মনত ৰাখিব লাগিব যে আমাৰ দ্বাৰা সম্পাদিত প্ৰত্যেক কৰ্মৰে দ্বিবিধ পৰিণাম আছে। কৰ্মৰ দ্বাৰা কেৱল আমাৰ নিজৰে সুখ-দুখ প্ৰাপ্ত নহয়, বা সুখ-দুখৰ উৎপন্ন নহয়, বৰং আমাৰ ভিতৰত সেই কৰ্মটোকে ভৱিষ্যতে সংঘটিত কৰাৰ প্ৰবৃত্তি নিহিত থাকে। এই প্ৰবৃত্তিক সংস্কাৰ বুলি কোৱা হয় আৰু কৰ্মৰ প্ৰত্যক্ষ পৰিণামক তাৰ ফল বুলি কোৱা হয়। প্ৰত্যেক কৰ্মৰ ফল অনিবাৰ্যভাৱে লাভ হয়। দেৱতাসকলেও ইয়াক বাধা দিব পৰা নাই। কিন্তু সংস্কাৰৰ ক্ষেত্ৰত কথাটো বেলেগ। সংস্কাৰক নিয়ন্ত্ৰণ কৰাৰ আমাৰ সম্পূৰ্ণ ক্ষমতা আছে। আমি অতীতত সম্পাদিত কৰ্মৰ ফল ভোগ কৰিম, কিন্তু অতীতত সম্পাদিত কৰ্মৰ ফলত আমাৰ যি সংস্কাৰ উৎপন্ন হয়,

Scanned with OKEN Scanner

সেই সংস্কাৰে আমাক অনুৰূপ কৰ্ম সম্পাদনত প্ৰবৃত্তি যোগায়। অনুৰূপভাৱে বৰ্তমান যি কৰ্ম কৰিম, তাৰ ফল ভৱিষ্যতে ভোগ কৰিম, কিন্তু বৰ্তমানৰ ভাল কৰ্মই ভৱিষ্যতে সংস্কাৰৰ ৰূপত ভাল কৰ্ম কৰাৰ প্ৰেৰণা যোগাব। এইদৰে দেখা যায় যে, কৰ্মসিদ্ধান্তত এনে কোনো কথা নাই যিয়ে দায়িত্বক অস্বীকাৰ কৰে আৰু আত্মাৰ প্ৰচেষ্টাক নিৰৰ্থক প্ৰতিপন্ন কৰে। বৰ্তমান যিহেতু ইন্দ্ৰিয়াসক্তি নিয়ন্ত্ৰণ কৰাটো আমাৰ মনৰ ওপৰত নিৰ্ভৰ কৰে, সেইকাৰণে আমি আত্ম সৈতে ভৱিষ্যতৰ বাবে কৰ্ম কৰিব লাগে, আৰু অতীত কৰ্মৰ ফল যিহেতু আমাৰ হাতত নাথাকে, সেয়ে সেই সম্পৰ্কে কোনো চিন্তা কৰিব নালাগে। গতিকে দেখা যায় যে, গীতাৰ কৰ্মবাদে একেলগে আমাৰ মনত আশাৰ সঞ্চাৰ কৰে আৰু আমাক সহিষ্ণু বনায়— ভৱিষ্যতৰ প্ৰতি আমাৰ আশাবাদ আৰু বৰ্তমানৰ প্ৰতি সহিষ্ণু কৰি তোলে। ই ভাগ্যবাদ নহয়, বৰং তাৰ সম্পূৰ্ণ বিপৰীত।

ড° ৰাধাকৃষ্ণণৰ মতে, কৰ্ম কেৱল এক অৱস্থামাত্ৰ, মানুহৰ নিয়তি নহয়। নিষ্কাম কৰ্মৰ স্বীকৃতিয়ে কৰ্মবাদ যে অদৃষ্টবাদ বা ভাগ্যবাদ নহয় তাকে প্ৰমাণ কৰে। নিষ্কাম কৰ্মত এইটো কোৱা হৈছে যে মানুহে কামনা-বাসনা পৰিত্যাগ কৰি, ফলাকাংক্ষা ত্যাগ কৰি, কৰ্তৃত্বাভিমান ত্যাগ কৰি নিজৰ সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰি ইহ জগতৰ পৰা মুক্তি লাভ কৰিব পাৰে। ইয়াৰ অৰ্থ মানুহে নিজ বুদ্ধিৰে পৰিচালিত হৈ নিজ ভাগ্য বা অদৃষ্টক পৰিৱৰ্তন কৰিব পাৰে। নিষ্কাম কৰ্ম স্বীকাৰ কৰি ভাৰতীয় নীতিশাস্ত্ৰত এইটোৱে কোৱা হৈছে যে কৰ্মৰ ক্ষেত্ৰত মানুহৰ স্বাধীনতা আছে। জীৱই স্বাধীন ইচ্ছাৰে পৰিচালিত হৈ নিষ্কাম কৰ্ম সম্পাদনৰ জৰিয়তে সাংসাৰিক দুখৰ পৰা মুক্তি লাভ কৰিব পাৰে। ভাৰতীয় নীতিশাস্ত্ৰত কৰ্মবাদৰ দ্বাৰা এই কথাকে প্ৰতিপন্ন কৰা হৈছে যে জীৱৰ 'বন্ধন' আৰু 'বন্ধন মুক্তি' জীৱৰ ওপৰতেই নিৰ্ভৰ কৰে। গতিকে কৰ্মবাদক অদৃষ্টবাদী মতবাদ বুলি কোৱাটো যুক্তিসংগত নহয়।

গতিকে দেখা যায় যে, গীতাত জীৱাত্মাক ঈশ্বৰৰ অংশ, জীৱাত্মা আৰু ঈশ্বৰ বা পৰমাত্মা অভিন্ন বুলি স্বীকাৰ কৰিয়ে জীৱাত্মাৰ পৰাধীনতা আৰু স্বাধীনতাক স্বীকাৰ কৰা হৈছে। পৰমাত্মা বা ঈশ্বৰ স্বতন্ত্ৰ, ঈশ্বৰৰ প্ৰকৃতিৰ ওপৰত কৰ্তৃত্ব আছে, কাৰণ তেওঁ প্ৰকৃতিক নিজ ইচ্ছামতে জগত সৃষ্টিত ব্যৱহাৰ কৰিব পাৰে। এই অৰ্থত জীৱাত্মাও স্বতন্ত্ৰ, কাৰণ জীৱাত্মাত শৰীৰ, ইন্দ্ৰিয়, বুদ্ধি,

আদিৰ ওপৰত কৰ্তৃত্ব আছে। কিন্তু ঈশ্বৰ আৰু জীৱাত্মাৰ কৰ্তৃত্বৰ মাজত বৃহৎ পাৰ্থক্য আছে। ঈশ্বৰ প্ৰকৃতিৰ অধিপতি হৈ প্ৰকৃতিক নিজৰ বশীভূত কৰি স্বতন্ত্ৰভাৱে জগতৰ উৎপত্তি, স্থিতি আৰু প্ৰলয়ৰ দৰে কাৰ্য সম্পাদন কৰে। আনহাতে, জীৱাত্মা সুখ-দুখৰ প্ৰতি আসক্তিৰ কাৰণে শৰীৰ, ইন্দ্ৰিয়ৰ দ্বাৰা বশীভূত হৈ পৰতন্ত্ৰভাৱে কাৰ্য সম্পাদন কৰে। ভগৱান যিদৰে প্ৰকৃতিক স্বীকাৰ কৰা বা নকৰাৰ ক্ষেত্ৰত স্বতন্ত্ৰ, আৰু স্বীকাৰ কৰিলেও ভগৱান পৰতন্ত্ৰ নহয়, তেনেদৰে জীৱাত্মাই শৰীৰ, ইন্দ্ৰিয়াদিক 'মই-মোৰ' বুলি স্বীকাৰ কৰা বা নকৰাৰ ক্ষেত্ৰত স্বতন্ত্ৰ, কিন্তু শৰীৰ-ইন্দ্ৰিয়াদিক 'মই-মোৰ' বুলি স্বীকাৰ কৰাৰ কাৰণে ইয়াৰ অধীন বা পৰতন্ত্ৰ হৈ পৰে। ইয়াৰ ফলস্বৰূপে জীৱাত্মাই জন্ম-মৃত্যুৰ চক্ৰত আবদ্ধ হয়।

জীৱাত্মাৰ এই পৰতন্ত্ৰ স্বাভাৱিক নহয়, বৰং ই নিজে তৈয়াৰ কৰা, নিজে স্বীকাৰ কৰা পৰতন্ত্ৰ। ইয়াৰ অৰ্থ হ'ল, যেতিয়া জীৱাত্মাই নিজে কামনা-বাসনাৰ কাৰণে প্ৰকৃতিৰ কাৰ্য শৰীৰৰ অধীনতা স্বীকাৰ কৰি লয়, তেতিয়া তেওঁ পৰতন্ত্ৰ হৈ পৰে। কিন্তু জীৱাত্মাই যদি প্ৰকৃতিজাত শৰীৰৰ অধীনতাক অস্বীকাৰ কৰে, তেতিয়া তেওঁ স্বাধীন হৈ পৰে। এনে অৱস্থাত জীৱাত্মাই নিজৰ স্বতঃসিদ্ধ স্বতন্ত্ৰতাক, নিজৰ স্ব-ৰূপক উপলব্ধি কৰিব পাৰে। এনে উপলব্ধিৰ বাবে জীৱাত্মা সম্পূৰ্ণৰূপে স্বতন্ত্ৰ।

কিন্তু জীৱাত্মাৰ যদি এনে স্বতঃসিদ্ধ স্বতন্ত্ৰতা উপলব্ধি কৰিও সন্তুষ্ট নহয়, তেনেহ'লে তেওঁ ভগৱানৰ শৰণ ল'ব পাৰে। তেওঁ ভগৱানক অনন্য ভক্তিৰে প্ৰেম আৰু সেৱা আগবঢ়াই ভগৱানৰ লগত একাত্ম হ'ব পাৰে। জীৱাত্মাই যদি প্ৰকৃতিৰ কাৰ্যক পৰিহাৰ কৰি ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰে, তেনেহ'লে তেতিয়া স্বতন্ত্ৰ ভগৱানো তেওঁৰ অধীন হৈ যায়। অৰ্থাৎ পৰমাত্মা আৰু জীৱাত্মা একাত্ম হৈ সম্পূৰ্ণ স্বতন্ত্ৰতা ভোগ কৰিব পাৰে। এইখিনি স্বতন্ত্ৰতা পৰমাত্মাই জীৱাত্মাক দি থৈছে।

Scanned with OKEN Scanner